**ইণ্ডিয়া ফাউণ্ডেশ্যন ফৰ দ্য আৰ্টছ (আই.এফ.এ.)**

India Foundation for the Arts (IFA)ৰ

তৰফৰ পৰা

**কলা অনুশীলন** কাৰ্য্যসূচীৰ অধীনত

**প্ৰযোজনা (Production)ৰ**

প্ৰস্তাৱ বিচাৰি আহ্বান

প্ৰস্তাৱ দাখিলৰ অন্তিম তাৰিখ : ০৫ জুলাই, ২০২৪ (July 05, 2024)

কলা অনুশীলন (Arts Practice) কাৰ্য্যসূচীৰ অধীনত এনে কিছুমান প্ৰকল্প ৰূপায়ণৰ চেষ্টা কৰা হয়, যিয়ে শিল্পীক তেওঁৰ শিল্পৰ পৰিসৰ অতিক্ৰমি ন ন দিশ উন্মোচনত সহায় কৰিব পাৰে। ইয়ে শিল্পৰ প্ৰচলিত শিল্পৰীতিৰ ওপৰত প্ৰশ্ন উদ্ৰেককাৰী কৌতুহল সৃষ্টিৰ লগতে বিষয়বস্তু, সংৰচনা আৰু মাধ্যমক লৈ নতুন দিগন্তৰ উন্মেষ ঘটাব পাৰে। স্থান, দৰ্শক আৰু বিভিন্ন সম্প্ৰদায়ৰ সৈতে জড়িত হোৱাৰ নতুন সাধন প্ৰণালী (modes of engagement)ৰো ই উদঘাটন কৰিব পাৰে। তদুপৰি শিল্পকৰ্মৰ ক্ষেত্ৰত সম্পৰীক্ষামূলক মেজাজো সৃষ্টি কৰিব পাৰে।

**প্ৰযোজনাসমূহ (Productions) :**

শিল্পীয়ে নিজৰ শৈল্পিক যাত্ৰাত কেতিয়াবা এনে এক বিন্দুত উপনীত হয় য'ত তেওঁ ইতিমধ্যে লাভ কৰা আধাৰ আৰ্হি (ফ্ৰেমৱৰ্ক)ক প্ৰত্যাহ্বান জনাই আৰু/অথবা শিল্পকৰ্ম সৃষ্টিৰ লগতে তাক উপস্থাপনৰ নতুন সম্ভাৱনাৰ অন্বেষণৰ যোগেদি নিজৰ শিল্পকৰ্মৰ ৰীতি পুনৰীক্ষণ বা তাক পুনঃ সৃষ্টি সম্পৰ্কীয় চিন্তা (revisit/reimagine) কৰিব খোজে। এই অনুসন্ধানে প্ৰকৃতাৰ্থত সম্পৰীক্ষা আৰু অনুসন্ধিৎসামূলক দৃষ্টিভংগীক মূৰ্ত ৰূপ দিব পৰা প্ৰযোজনাৰ সৃষ্টি কৰিব পাৰে।

কলা অনুশীলন (Arts Practice) কাৰ্য্যসূচীৰ অধীনত আমি সৃজনীমূলক অন্বেষণৰ পৰা সৃষ্ট এনে ধৰণৰ **প্ৰযোজনা (Productions)** ৰ প্ৰস্তাৱৰ আহ্বান জনাইছো। এনে প্ৰস্তাৱ বিভিন্ন ধৰণৰ হ'ব পাৰে। যেনে ধৰক পৰিৱেশ্য কলা, শব্দ, দৃশ্যকলা, ডিজিটেল শিল্পকৰ্ম, সাহিত্য অথবা আন্তঃবৈষয়িক শিল্পকৰ্ম য'ত এনে উপাদান উপলব্ধ। তথ্যচিত্ৰ বা কাল্পনিক ছবি প্ৰযোজনাৰ পৰিসৰ পাৰ হৈ কৰা চিন্তাৰ পৰা উদ্ভূত অভিনয়, নৃত্য, সংগীত পৰিৱেশন, ইনষ্টলেচন, প্ৰদৰ্শনী, গ্ৰন্থ বা জাইন ৰূপত প্ৰকাশন, চলন্ত ছবি উপস্থাপন, গেমচ্, ডিজিটেল শিল্পকৰ্ম আৰু এনে আন আন প্ৰকাৰৰ শিল্প যি এতিয়াও মূৰ্ত ৰূপ পোৱা নাই, তেনে শিল্পকৰ্মৰ প্ৰস্তাৱক আমি আদৰণি জনাইছোঁ।

**প্ৰকল্পৰ সময়সীমা** : সৰ্বাধিক ১৮ (18) মাহ

**বাজেট :** সৰ্বাধিক ৫,০০,০০০ -/(5,00,000) টকা পৰ্যন্ত বাজেট কৰিব পাৰে [আপুনি মাননিৰ বাবে অনুৰোধ জনাব পাৰিব, কিন্তু সেয়া প্ৰস্তাৱিত বাজেটৰ ৩৫ (35%) শতাংশতকৈ অধিক হ'ব নোৱাৰিব]

**আবেদন দাখিলৰ অন্তিম তাৰিখ**: ০৫ জুলাই, ২০২৪ (July 05, 2024)

**কোনে আবেদন কৰিব পাৰিব**?

এই কাৰ্য্যক্ৰম শিল্পকলাৰ সৈতে জড়িত বিষয়ৰ লগতে আন বিভিন্ন বিষয়ৰ গৱেষক, বিদ্বান আৰু পেচাজীৱিৰ বাবে মুকলি। এই কাৰ্য্যক্ৰমত নিম্নোক্ত ক্ষেত্ৰসমূহত কাম কৰা ব্যক্তিয়ে ভাগ ল'ব পাৰিব:

- সংগীত, শব্দ, টেক্সট্, নৃত্য, মুভমেণ্ট, থিয়েটাৰ, পুতলা নাচ, কাহিনীকথন, যাদু, চাৰ্কাচ আৰু আন পৰিৱেশ্য কলাৰ সৈতে জড়িত শিল্পীসকল
- চলচ্চিত্ৰ (তথ্যচিত্ৰ আৰু কথাশিল্প), এনিমেচন, আলোকচিত্ৰ, ইনষ্টলেচন, নিউ মিডিয়া, কৃত্ৰিম বুদ্ধিমত্তা, ৰবটিকচ্, ইণ্টাৰেক্টিভ শিল্প, গেমিং, চিত্ৰশিল্প, ভাস্কৰ্য্যশিল্প, প্ৰিণ্টমেকিং, কমিক বুক, গ্ৰাফিক নেৰেটিভ, আৰ্টিষ্ট বুক আদিকে ধৰি আন আন দৃশ্যকলাৰ সৈতে জড়িত শিল্পীসকল
- কিউৰেটৰসকল, বিশেষকৈ বীথিকা প্ৰসংগৰ বাহিৰত কাম কৰি থকাসকল
- সাহিত্য কলাৰ কামত নিয়োজিত কবি, ঔপন্যাসিক, নাট্যকাৰ
- আন্তঃবৈষয়িক কামৰ সৈতে জড়িত অনুশীলনকাৰী শিল্পীসকল

**যোগ্যতা** :

যদিহে আপুনি ভাৰতীয় নাগৰিক তেন্তে আপুনি আবেদন কৰিব পাৰিব। আপোনাৰ সহযোগীসকলো ভাৰতীয় নাগৰিক হ'ব লাগিব। (অধিক তথ্যৰ বাবে ইয়াত ক্লিক কৰক)।

**প্ৰস্তাৱ দাখিলৰ নিৰ্দেশাৱলী**:

প্ৰস্তাৱৰ নিম্নোক্ত বিৱৰণসহ আপোনাৰ চিভি (সম্পূৰ্ণ ঠিকনা, ফোন নম্বৰ আৰু ইমেইল আইডিৰ সৈতে) আমালৈ পঠিয়াওক :

- আপুনি ইতিমধ্যে অনুশীলন কৰি থকা শিল্প আৰু শিল্পী হিচাপে সেই লৈ আপুনি কৰা চিন্তা-চৰ্চা আৰু আপোনাৰ আগ্ৰহ
- আপুনি প্ৰযোজনা কৰিব খোজা শিল্পৰ বিৱৰণ আৰু তাৰ যুক্তিযুক্ততা
- প্ৰযোজনাৰ বাবে নিৰ্ধাৰিত সময়সীমা (timeline) আৰু বাজেট
- পূৰ্বতে আপুনি কৰা শিল্পকৰ্মৰ উদাহৰণ

**প্ৰস্তাৱ দাখিল :**

- আপুনি ইংৰাজীকে ধৰি যিকোনো ভাৰতীয় ভাষাত প্ৰস্তাৱ লিখিব পাৰিব। ইংৰাজীৰ বাহিৰেও অন্যান্য ভাৰতীয় ভাষাত প্ৰকল্প দাখিল কৰাত আই.এফ.এ. (IFA)-য়ে উৎসাহ যোগায়।
- প্ৰকল্পৰ প্ৰস্তাৱ দাখিলৰ পূৰ্বে প্ৰকল্পৰ ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰিবলৈ বা এই সম্পৰ্কে কোনো প্ৰশ্নৰ বাবে অনুগ্ৰহ কৰি **২১ জুন, ২০২৪ তাৰিখ( June 21, 2024)ৰ** আগতে **mridupankhi@indiaifa.org**-ত মেইল প্ৰেৰণ কৰিব পাৰে।
- আপোনাৰ চূড়ান্ত প্ৰস্তাৱ, সকলো সহায়ক সমল সামগ্ৰীৰ সৈতে একেলগে, **০৫ জুলাই, ২০২৪ (July 05, 2024)ৰ** ভিতৰত বা তাৰ আগতে **mridupankhi@indiaifa.org**-ত একেটা মেইলতে ইমেইলযোগে অনলাইন জমা দিব লাগিব আৰু ফাইলৰ আকাৰ ২৫ (25) এম.বি.তকৈ অধিক হ'ব নালাগিব।

অনুগ্ৰহ কৰি মন কৰিব যে অসম্পূৰ্ণ প্ৰস্তাৱ আৰু যোগ্যতাৰ আওতাত নপৰা আবেদনকাৰীসকলৰ প্ৰকল্প প্ৰস্তাৱ অগ্ৰাহ্য কৰা হ'ব।

**নিৰ্বাচন প্ৰক্ৰিয়া :**

বিবেচিত প্ৰস্তাৱসমূহৰ মূল্যায়ন বাহ্যিক পেনেলে কৰিব আৰু আবেদনকাৰীয়ে পেনেলৰ সন্মুখত নিজৰ প্ৰকল্পৰ ধাৰণা উপস্থাপন কৰিবলগীয়া হ'ব পাৰে। ৰূপায়ণৰ বাবে নিৰ্বাচিত প্ৰকল্পসমূহ ২০২৪ (২০২৪) চনৰ ছেপ্টেম্বৰ মাহত ঘোষণা কৰা হ'ব।

নিৰ্বাচিত সকলো প্ৰকল্প আই.এফ.এ.-ৰ দ্বাৰা ৰূপায়ণ কৰা হ'ব।

*অনুগ্ৰহ কৰি মন কৰিব যে শিশুকে ধৰি সকলোৰে সমান সমৰ্থন, সন্মান আৰু সুৰক্ষা লাভ কৰিব পৰা এক নিৰাপদ পৰিৱেশ সৃষ্টিৰ বাবে আই.এফ.এ. সদায়েই প্ৰতিশ্ৰুতিবদ্ধ। আবেদনকাৰীয়ে এই দিশসমূহৰ প্ৰতি সততে লক্ষ্য ৰাখিব লাগিব আৰু তেনে দৃষ্টিভংগী অক্ষুণ্ণ ৰাখিব লাগিব।*